**অসম বিধান সভা**

**তৰাবিহীন প্ৰশ্ন নং : ৩২৫**

**উত্তৰ দানৰ তাৰিখ : ১৪-০৭-২০২৬**

*বিষয়* : পলাশবাৰী সমষ্টিত বনৰীয়া হাতী-মানুহৰ মাজত সংঘাত সম্পৰ্কে ।

শ্ৰীহিমাংশু শেখৰ বৈশ্য, বিধায়ক :

মাননীয় পৰিবেশ ও বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

পালশবাৰী সমষ্টিৰ অন্তৰ্গত বিভিন্ন অঞ্চলত হাতী-মানুহৰ প্ৰায় সংঘাত দেখা যায় । হাতী মানুহৰ সংঘাত দূৰ কৰিবলৈ বিভাগে ব্যৱস্থা গ্ৰহণ কৰিবনে ? যদি কৰিব, কি ব্যৱস্থা গ্ৰহণ কৰিব, সদনত জনাব।

**উত্তৰ:**

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা মহোদয়ে উত্তৰ দিব :

(ক) পলাশবাৰী সমষ্টিৰ অন্তৰ্গত বিভিন্ন অঞ্চলত হাতী মানুহৰ সংঘাত সমাধানৰ বাবে লোৱা ব্যৱস্থা সমূহ তলত উল্লেখ কৰা হল-

১. সংৰক্ষিত বনাঞ্চলৰ ভিতৰত কাৰ্য্যবাহী কৰ্মচাৰীসকলে নিয়মীয়াকৈ টহলদাৰী (Patrolling) দায়িত্ব পালন কৰে।

২. গাঁওবাসীক হাতীৰ পৰা সুৰক্ষাৰ বিষয়ে সজাগতা কাৰ্য্যসূচী চলোৱা হয় ।

৩. মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাত নিয়ন্ত্ৰণ তথা পৰিচালনাৰ বাবে স্থানীয় লোকসকলৰ সৈতে সমন্বয় ৰক্ষা কৰা হয়।

৪. গাঁওবাসীক টৰ্চলাইট, ফটকা আদিৰ দৰে প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰা হৈছে।

৫. জৰুৰীকালীন পদক্ষেপ গহণৰ বাবে বন বিভাগে গাঁওবাসীৰ মাজত এটা বন্যপ্ৰাণী উপদ্ৰৱ ৰোধক বাহিনী (Anti Depredation Squad Team) গঠন কৰিছে।

৬. ক্ষতিগ্ৰস্ত লোকসকলক এই সংমণ্ডলৰ পৰা বিভিন্ন সময়ত ক্ষতিপূৰণ (Compensation) প্ৰদান কৰি অহা হৈছে।

৭. বন বিভাগ, জিলা প্ৰশাসন, বিদ্যুৎ, ৰেল আৰু অন্যান্য বিভাগৰ মাজত সমন্বয় বৃদ্ধি কৰি হাতী মানুহৰ সংঘাত সমাধানৰ বাবে ব্যৱস্থা লোৱা হৈছে।

**বনসংমণ্ডল প্ৰাধিকাৰী বিষয়া, পশ্চিম কামৰূপ বনসংমণ্ডল, বামুণীগাওঁ জনোৱা অনুসৰি হাতী মানুহৰ সংঘাত সমাধানৰ বাবে লোৱা ব্যৱস্থা সমূহ তলত উল্লেখ কৰা হল-**

১) কেতবোৰ হ্ৰস্বম্যাদী ব্যৱস্থা যেনেঃ ইংৰাজী ২২ মে ২০২৫ তাৰিখে আৰু ৪ এপ্ৰিল ২০২৬ তাৰিখে প্ৰভাৱিত অঞ্চলৰ পৰা ৰাইজ, জিলা প্ৰশাসন, পুলিচ প্ৰশাসন, বিভিন্ন স্বেচ্ছাসেৱী সংগঠনৰ লগত বিভাগীয়ভাৱে উক্ত অঞ্চলত সমস্যাৰ সৃষ্টি কৰা হাতীৰ জাকটো ৰাণী, জোৰশাল বনাঞ্চললৈ খেদি পঠোৱা হয়।

২) নিয়মিতভাৱে লোহৰঘাট বনাঞ্চিলক কাৰ্য্যালয়ৰ পৰা উক্ত অঞ্চলত তৎকালীনভাৱে তহলদাৰী কৰি থকা হৈছে।

৩) প্ৰভাৱিত অঞ্চলত প্ৰয়োজন অনুযায়ী কেতবোৰ স্থানত সৌৰশক্তি চালিত স্ট্ৰিট লাইট সংস্থাপন কৰা হৈছে আৰু প্ৰয়োজন সাপেক্ষে গাওঁৰ ৰাইজক টৰ্চ লাইট, ফটকা ইত্যাদি যোগান ধৰি থকা হৈছে।

৪) হাতীৰদ্বাৰা ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালক ক্ষতিপূৰণ দিয়াৰ কাৰণে বিভাগীয় নীতি নিয়ম অনুযায়ী ক্ষীপ্ৰতাৰে কাম-কাজ সম্পূৰ্ণ কৰি উৰ্দ্ধতম কৰ্তৃপক্ষলৈ প্ৰস্তাৱ প্ৰেৰণ কৰি থকা হৈছে।

হাতী-মানুহৰ সংঘাত ৰোধ কৰিবলৈ দীৰ্ঘম্যাদী ব্যৱস্থা সম্পৰ্কে ইতিমধ্যে যোৱা ১ জুন'২০২৬ ইংৰাজী তাৰিখে পলাশবাৰী সমষ্টিৰ মাননীয় বিধায়ক, বনবিভাগৰ উৰ্দ্ধতম কৰ্তৃপক্ষ আৰু জিলা প্ৰশাসনৰ লগতে বিভিন্ন বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনৰ লগত বহলভিত্তিকভাৱে আলোচনা কৰা হৈছে।

****